# আমাৰ চৌপাশৰ বায়ু

# পাঠ: ১৫

# পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১) বায়ুৰ উপদানসমূহ কি ?

**উত্তৰঃ –** বায়ু হৈছে নাইট্ৰজেন , অক্সিজেন , কাৰ্বন – ডাই – অক্সাইড , জলকনা আৰু আন কিছুমান গেছৰ মিশ্ৰণ ।

প্ৰশ্ন : – ২) বায়ুমণ্ডলৰ কোনটো গেছ শ্বসনৰ বাবে আৱশ্যক ?

**উত্তৰঃ –** অক্সিজেন ।

প্ৰশ্ন : – ৩) বায়ুৱে যে জুই জ্বলোৱাত সহায় কৰে সেয়া কেনেকৈ প্ৰমাণ কৰিবা ?

**উত্তৰঃ –** এডাল জ্বলি থকা মমবাতি লোৱা । মমবাতিডাল এটা কাঁচৰ জাৰৰ ভিতৰত সুমুৱাই দিয়া । কিছু সময়ৰ পাছত দেখা গল যে মমডাল নুমাই গল । ইয়ে প্ৰমাণ কৰে যে শ্বসনৰ বাবে বায়ুৰ প্ৰয়োজন হয় ।

প্ৰশ্ন : – ৪) পানীত যে বায়ু দ্ৰৱীভূত হৈ থাকে তাক কেনেকৈ প্ৰমাণ কৰিবা ?

**উত্তৰঃ –** এটা গিলাচ অথবা বিকাৰত অলপমান পানী লোৱা । এটা ষ্টেণ্ডত ইয়াক লাহে লাহে গৰম কৰা । পানী উতলাৰ পূৰ্বে পাত্ৰটোৰ উপৰিভাগত কিছুমান বোৰবোৰণী উঠিব । ইয়াৰ পৰা বুজা যায় যে পানী গৰম কৰিলে পানীত দ্ৰৱীভূত হৈ থকা বায়ু বোৰবোৰণী আকাৰে বাহিৰলৈ ওলাই আহিছে ।

প্ৰশ্ন : – ৫) কপালৰ জোলা অথবা থুপ এটা পানীত কিয় কোঁচ খায় ?

**উত্তৰঃ –** কপাহৰ আহবোৰৰ ফাকত বায়ু সোমাই থাকে । পানীত কপাহৰ জোলা অথবা থুপ এটা ডুবাই দিলে পানীয়ে বায়ুৰ স্থান দখল কৰে । ফলত কপাহৰ জোলা অথবা থুপটো কোঁচ খায় ।

প্ৰশ্ন : – ৬) ভূ – পৃষ্ঠৰ চাৰিওফালে থকা বায়ুৰ অৱৰণটোক — বোলে ।

**উত্তৰঃ –** ভূ – পৃষ্ঠৰ চাৰিওফালে থকা বায়ুৰ অৱৰণটোক বায়ুমণ্ডল বোলে ।

প্ৰশ্ন : – ৭) সেউজীয়া উদ্ভিদে সিহঁতৰ খাদ্য প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা বায়ুৰ উপদানটো হৈছে — ।

**উত্তৰঃ –** সেউজীয়া উদ্ভিদে সিহঁতৰ খাদ্য প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা বায়ুৰ উপদানটো হৈছে কাৰ্বন – ডাই – অক্সাইড ।

প্ৰশ্ন : – ৮) বায়ুৰ উপস্থিতিৰ বাবে কৰিব পৰা পাঁচটা ক্ৰিয়া – কলাপৰ তালিকা প্ৰস্তুত কৰা ।

**উত্তৰঃ –** বায়ুৰ উপস্থিতিৰ বাবে কৰিব পৰা পাঁচটা কাৰ্য হৈছে —

১) জীয়াই থাকিবৰ বাবে শ্বাস – প্ৰশ্বাস ।

২) দহনৰ বাবে ।

৩) সালোক সংশ্লেষণৰ বাবে ।

৪) ফুলৰি বনাবৰ বাবে ।

৫) পৰিবেশ ঘড়ী তৈয়াৰ কৰিবৰ বাবে ।

প্ৰশ্ন : – ৯) বায়ুমণ্ডলৰ গেছৰ বিনিময়ৰ ক্ষেত্ৰত প্ৰাণী আৰু উদ্ভিদে ইটোৱে সিটোক কেনেদৰে সহায় কৰে ?

**উত্তৰঃ –** উদ্ভিদ আৰু প্ৰাণীয়ে শ্বসনৰ সময়ত অক্সিজেন গ্ৰহণ কৰে আৰু কাৰ্বন – ডাই – অক্সাইড এৰি দিয়ে । কিন্তু উদ্ভিদে সালোক সংশ্লেষণৰ সময়ত কাৰ্বন – ডাই – অক্সাইড গেছ ব্যৱহাৰ কৰি অক্সিজেন এৰি দিয়ে । একেদৰে প্ৰাণী আৰু উদ্ভিদে গেছৰ আদান – প্ৰদান কৰি ইটোৱে সিটোক সহায় কৰে ।